# 2018

## ASSAMESE

( Major )

Paper : 5.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা (*এটা* শব্দ বা *এটা* বাক্যত) : ১×৭=৭

(ক) কোনখন পিটকত বৌদ্ধ ধৰ্মৰ মূল ধ্যান-ধাৰণাসমূহ সন্নিৱিষ্ট হৈছে?

(খ) সংস্কৃত নাটকৰ গীতত কোনটো প্ৰাকৃতক স্থান দিয়া হৈছিল?

(গ) কোনখন গ্ৰন্থত 'ধম্মপদ'ৰ প্ৰথম উল্লেখ পোৱা যায়?

(ঘ) পালি ভাষাৰ স্বৰধ্বনি কেইটা?

(ঙ) মাগধী-প্ৰাকৃতৰ সৰ্বপ্ৰাচীন নিদৰ্শন ক'ত পোৱা যায়?

(চ) 'কৰ্পূৰমঞ্জৰী' নাটকখন কেইটা 'জৱন্তিকাৰম্' বা অংকত বিভক্ত?

(ছ) ভাৰতীয় দূতকাব্য পৰম্পৰাৰ শেহতীয়া নিদৰ্শন কি?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) ‘পালি’ শব্দৰ প্ৰথম উল্লেখ ক’ত পোৱা যায়? শব্দটোৰ অৰ্থ কি আছিল?

(খ) প্ৰচীনতম প্ৰাকৃত বৈয়াকৰণ বুলি কাক কোৱা হয়? তেওঁৰ ব্যাকৰণখনৰ নাম কি?

(গ) মহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচনা কৰা দুখন কাব্যৰ নাম লিখা।

(ঘ) ‘ধম্মপদ’সমূহত সৰ্বমুঠ কিমানটা গাথা আৰু বগ্‌গ আছে, লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) প্ৰাকৃত ভাষা উদ্ভৱৰ সামাজিক আৰু ঐতিহাসিক পটভূমি সম্পৰ্কে লিখা।

(খ) ‘অভিজ্ঞানশকুন্তলম্’ নাটকৰ ষষ্ঠ অংকৰ নাটকীয় তাৎপৰ্য ব্যাখ্যা কৰা।

(গ) ত্ৰিপিটকৰ বিষয়ে চমু আভাস দিয়া।

(ঘ) ‘কৰ্পূৰমঞ্জৰী’ নাটকৰ বিশেষত্বৰ বিষয়ে চমুকৈ লিখা।

(ঙ) পালি ভাষাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) মধ্য-ভাৰতীয় আৰ্যভাষাৰ বিকাশৰ ধাৰা উল্লেখ কৰি ইয়াৰ উমৈহতীয়া বৈশিষ্ট্যসমূহ লিখা।





(খ) ‘সন্দেশৰাসক’ কাব্যক দূতকাব্যৰূপে উপস্থাপন কৰাৰ লগতে কাব্যিক সৌন্দৰ্যও বিচাৰ কৰা।

(গ) ‘ধম্মপদ’ৰ বিষয়বস্তু উল্লেখ কৰি বৌদ্ধ ধৰ্মৰ মূল উদ্দেশ্য ব্যাখ্যা কৰা।

(ঘ) সাহিত্যিক প্ৰাকৃতৰ পৰিচয় দাঙি ধৰি যি কোনো এটা প্ৰাকৃতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(ঙ) প্ৰাকৃত সাহিত্য সন্দৰ্ভত এটি আলোচনা আগবঢ়োৱা।

★★★